# ডিব্ৰুগড়ত সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ সন্মিলন

'আমাৰ অসম'ৰ ডিব্ৰুগড়ৰ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ এপ্ৰিল ঃ সমাজৰ বিকাশত শিক্ষা আৰু গৱেষণাৰ প্ৰয়োজনীয়তাক বিশদভাৱে আলোচনা কৰা আৰু অসমৰ ইতিহাসত গ্ৰন্থাগাৰ বিজ্ঞানৰ লগত জড়িত ব্যক্তিসকলৰ অৱদানক স্মৰণ কৰি ৰখাৰ উদ্দেশ্যে ২২ এপ্ৰিলত ডিব্ৰুগড় চহৰৰ ডিব্ৰু মহাবিদ্যালয়ত পোন প্ৰথমবাৰৰ বাবে সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থা সন্মিলন সফলতাৰে অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানত অসমত গ্ৰন্থাগাৰ বিজ্ঞানৰ উন্নয়নৰ গুৰি ধৰোঁতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা অলকা বুঢ়াগোহাঁই, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ভীমকান্ত বৰুৱা, ডিব্ৰু মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ চন্দনা গগৈ, সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ সভানেত্ৰী ড° জ্যোতিকা দেৱী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ অৱসৰপ্ৰাপ্ত সহকাৰী গ্ৰন্থাগাৰিক ড° বীণা লহকৰকে প্ৰমুখ্য কৰি গ্ৰন্থাগাৰ আৰু শিক্ষাৰ লগত জড়িত অসমৰ আগশাৰীৰ বিভিন্ন ব্যক্তি সন্মিলনখনত উপস্থিত থাকে। ভাষণত ভীমকান্ত বৰুৱাই অসমৰ বিভিন্ন অঞ্চলত উপলব্ধ সাঁচিপাতসমূহক ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষণত গ্ৰন্থাগাৰিকসকলক আগভাগ ল'বলৈ অনুৰোধ কৰে। আইএএছএলআইচিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নৰেন্দ্ৰ লহকৰে মূল ভাষণ প্ৰদান কৰে। ভাষণত তেওঁ সমাজৰ উন্নয়নত গ্ৰন্থাগাৰিকসকলৰ দায়িত্ব আৰু কৰণীয় সম্পৰ্কে বৰ্ণনা কৰে। শিক্ষা আৰু গৱেষণাক প্ৰভাৱিত কৰিব পৰা বিভিন্ন দিশসমূহ সামৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বদন বৰ্মনে অনুষ্ঠানত এক বিশেষ বক্তৃতা আগবঢ়ায়। সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ সাধাৰণ সম্পাদিকা ড° কংকনা বৈশ্যই সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ বৰ্তমানৰ স্থিতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে এক থূলমূল আভাস দিয়ে। উক্ত অনুষ্ঠানত তিনিচুকীয়া ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক ছায়া সূত্ৰধাৰক গ্ৰন্থাগাৰ বিজ্ঞানৰ দিশত তেওঁৰ জীৱনজোৰা অৱদানৰ বাবে ২০২৩ বৰ্ষৰ 'শান্তি দাস স্মাৰক সাধনা বঁটা' প্ৰদান কৰে। এই সন্মিলনখনত অসমৰ বিভিন্ন অঞ্চলৰ পৰা অহা প্ৰায় এশগৰাকী গ্ৰন্থাগাৰিক, শিক্ষাবিদ, গৱেষক, শিক্ষাৰ্থী উপস্থিত থাকে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত সন্মিলনখনত 'প্ৰজ্ঞানন' আৰু 'একত্ৰ' নামৰ দুখন গ্ৰন্থ উন্মোচন কৰে। ডিব্ৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক দীপিকা দাসে শলাগৰ জ্ঞাপন কৰা অনুষ্ঠানটো এক সাংস্কৃতিক অনুষ্ঠানেৰে সামৰণি পৰে।